# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-02-2025
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - - -**

১। এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণত বিদেশী বিনিয়োগ আকৰ্ষণৰ বাবে মুখ্যমন্ত্ৰীৰ ছিংগাপুৰ যাত্ৰা।

২। প্ৰধানমন্ত্ৰীৰ **পৰীক্ষা পে চৰ্চা**ত আজি অসমৰো কেইবাখনো শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীৰ অংশগ্ৰহণ।

৩। চীনে ব্ৰহ্মপুত্ৰৰ ওপৰত প্ৰস্তাৱ কৰা বিশ্বৰ সৰ্ববৃহৎ নদীবান্ধ সম্পৰ্কত চীনৰ সৈতে কূটনৈতিক আলাপ কৰিবলৈ সাংসদ দিলীপ শইকীয়াৰ আহ্বান।

৪। জলসম্পদ বিভাগত নিযুক্তি সন্দৰ্ভত দুষ্টচক্ৰৰ অপপ্ৰচাৰ সন্দৰ্ভত জনসাধাৰণক সতৰ্ক হ'বলৈ মন্ত্ৰী পীযুষ হাজৰিকাৰ আহ্বান। **আৰু**

৫। অসমৰ মহিলা দলৰ ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ নেটবলৰ ছেমি ফাইনেলত প্ৰৱেশ।

০০০০০

গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণৰ পৰিপ্ৰেক্ষিতত দুদিনীয়া কাৰ্যসূচীৰে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ছিংগাপুৰলৈ ৰাওনা হৈছে। এই ভ্ৰমণকালত মুখ্যমন্ত্ৰীয়ে একাধিক ৰোড শ্ব'ত অংশ লোৱাৰ লগতে শীৰ্ষ উদ্যোগপতি আৰু ব্যৱসায়ীৰ সৈতে মত বিনিময় কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে ছেমি কণ্ডাক্টৰ, ডিপ টেকন'লজি, আন্তঃগাঁথনি আৰু নিৰ্মাণ আদি খণ্ডত ৰাজ্য চৰকাৰে আগবঢ়োৱা বিভিন্ন সা-সুবিধাসমূহৰ বিভিন্ন দিশত আলোকপাত কৰিব। তেওঁ বাণিজ্যিক সহযোগিতা তথা বিনিয়োগৰ সুযোগ অন্বেষণ কৰিবলৈ ছিংগাপুৰৰ ঔদ্যোগিক নেতৃবৃন্দৰ সৈতে বহুকেইখন পৃথক বৈঠকতো মিলিত হোৱাৰ কথা।

০০০০০

এডভাণ্টেজ আছাম সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্যত ব্যাপক প্ৰস্তুতি অব্যাহত আছে। আজি কেইবাগৰাকীও মন্ত্ৰীয়ে এই সন্মিলন সন্দৰ্ভত গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই আজি গুৱাহাটীত জনতাভৱনৰ কাৰ্যালয় কক্ষত সন্মিলনৰ আদৰণি সমিতি, নীতি নিৰ্ধাৰণ আৰু যাতায়ত ব্যৱস্থাপনা সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে এই সন্মিলনৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। বৈঠকৰ পাছত মন্ত্ৰীগৰাকীয়ে কয়, যে এই সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী আৰু দেশ-বিদেশৰ ভালে সংখ্যক উদ্যোগীয়ে অংশ ল'ব বুলি নিশ্চিত কৰাৰ পৰিপ্ৰেক্ষিতত অভ্যাগতসকলক আপ্যায়নৰ বাবে সকলো ব্যৱস্থা যাতে নিয়াৰিকৈ হয় সেই কথা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। আতিথ্যৰ বাবে বিশ্ব জুৰি জনাজাত অসমলৈ আহি যাতে অতিথি অভ্যাগতসকল সন্তুষ্ট হয়, তাৰ বাবে আগতীয়াকৈ সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে সুৰক্ষাৰ দিশটোও কঠোৰভাৱে নিৰীক্ষণ কৰিবলৈ কোৱা হৈছে। আজিৰ এই বৈঠকত ৰাজ্যৰ অতিৰিক্ত মুখ্য সচিবৰ উপৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। মন্ত্ৰী পীযুষ হাজৰিকাই আজি এই

সন্মিলনৰ অংশ হিচাপে শোণিতপুৰ আৰু বিশ্বনাথ জিলাক সামৰি অনুষ্ঠিত এখন কৰ্মশালাত অংশ লয়। জিলা দুখনৰ কমেও ২৫০ গৰাকী উদ্যোগীয়ে অংশ লোৱা কৰ্মশালাত স্থানীয় উদ্যমী, বিভিন্ন অংশীদাৰ আৰু জিলা প্ৰশাসনৰ বিষয়ববীয়াৰ সৈতে মন্ত্ৰীগৰাকীয়ে মত বিনিময় কৰে। মন্ত্ৰী হাজৰিকাই ৰাজ্যৰ কৃষি খণ্ডত বিনিয়োগৰ জৰিয়তে দেশৰ ভৰিষ্যৎ সমৃদ্ধ কৰাত বৰঙণি যোগোৱাৰ বাবে এডভান্টেজ আছাম উপযুক্ত মঞ্চ হিচাপে পৰিগণিত হ'ব বুলি মত প্ৰকাশ কৰে। তেওঁ কয়, যে ফলপ্ৰসূ উৎপাদনৰ পৰা বিদেশলৈ ৰপ্তানিলৈ অসমৰ কৃষি খণ্ডই সংস্কাৰ সাধন কৰি সফলতাৰ নিদৰ্শন দাঙি ধৰিছে।

অনুষ্ঠানত বিধায়ক পৃথ্বীৰাজ ৰাভা, গণেশ কুমাৰ লিম্বু আৰু কৃষ্ণ কমল তাঁতীৰ লগতে জিলা দুখনৰ আয়ুক্ত দুগৰাকী আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

উল্লেখযোগ্য যে ৰাজ্যখনত বিনিয়োগ আৰু আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্যৰে আয়োজিত এই সন্মিলনে বিভিন্ন দিশত সুযোগৰ সন্ধান দিব বুলি আশা কৰা হৈছে। জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি এই সন্মিলনৰ বিষয়ে প্ৰকাশ কৰি অসমৰ ঔদ্যোগীক ক্ষেত্ৰখনত নতুনকৈ সংযোজিত ছেমি কণ্ডাক্টৰ খণ্ডলৈ বিনিয়োগকাৰীক আকৰ্ষণৰ ক্ষেত্ৰত সন্মিলনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীৰ অষ্টম সংস্কৰণত শিক্ষাৰ্থীসকলে পৰীক্ষাৰ সময়ত মানসিক চাপ আৰু উদ্বেগৰ পৰা কেনেদৰে হাত সাৰিব পাৰে সেই বিষয়ত আলোকপাত কৰে। পৰিপুষ্টি আৰু সুস্বাস্থ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে শিক্ষাৰ্থীসকলে পঢ়াৰ লগতে প্ৰয়োজন সাপেক্ষে জিৰণি লোৱাটো প্ৰয়োজন। তেওঁ লগতে শিক্ষাৰ্থীসকলক চাপমুক্ত হৈ থকাৰ বাবেও বিভিন্ন পৰামৰ্শ আগবঢ়ায়।

**বাইট (পি এম)**

পৰীক্ষা পে চৰ্চা কাৰ্যসূচীত আজি দেশৰ বিভিন্ন স্থানৰ লগতে অসমৰো কেইবাখনো শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত নিউ গুৱাহাটী ৰে'লৱে কলনী হাইস্কুল, নিউ গুৱাহাটী আদৰ্শ হাইস্কুল, নুনমাটি হাইস্কুল, লখিমপুৰ কেন্দ্ৰীয় বিদ্যালয়, কোকৰাঝাৰৰ মাজালিপাৰা এম ভি স্কুল, গোৱালপাৰা নটসূৰ্য ফণী শৰ্মা ভৱন, তামুলপুৰ মহাবিদ্যালয় আদিত পৰীক্ষা পে চৰ্চা কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্যৰ বিভিন্ন জিলাত এই অনুষ্ঠান পৰ্দাৰ জৰিয়তে প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। এই প্ৰদৰ্শনত সংশ্লিষ্ট অঞ্চলৰ বিশিষ্ট ব্যক্তি, শিক্ষাবিদ, শিক্ষাৰ্থী আৰু অভিভাৱকে ভাগ লয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি তামুলপুৰ মহাবিদ্যালয়ত পৰীক্ষা পে চৰ্চা কাৰ্যসূচীত উপস্থিত থাকে। অনুষ্ঠানত শিক্ষামন্ত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক মানসিক চাপ লোৱাৰ পৰিৱৰ্তে ধ্যান কৰি অধ্যয়নত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক লিখন, পঢ়ন, শ্ৰৱণ আৰু কথন এই চাৰিটা বিষয়ত দক্ষতা অৰ্জন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত তামুলপুৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী, বিধায়ক জলেন দৈমাৰীৰ উপৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু শিক্ষাৰ্থীসকলৰ অভিভাৱক সকলকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

বঙাইগাঁও জিলা প্ৰশাসন আৰু জিলা শিক্ষা বিভাগৰ উদ্যোগত বঙাইগাঁও, অভয়াপুৰী আৰু সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পৰীক্ষা পে চৰ্চা কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়।

উল্লেখযোগ্য যে পৰীক্ষা পে চৰ্চা কাৰ্যসূচীৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰীক্ষাৰ পূৰ্বে শিক্ষাৰ্থী, অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে প্ৰস্তুতি আৰু মানসিক চাপ দূৰ কৰাৰ উপায় সন্দৰ্ভত বাৰ্তালাপ কৰি

আহিছে। এইবাৰৰ কাৰ্যসূচীত বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩৬ গৰাকী শিক্ষাৰ্থীয়ে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে পোনপটীয়াকৈ মত বিনিময় কৰে।

০০০০০

দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়াই চীনদেশে তিবৱতত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলৈ লোৱা বিশ্বৰ সৰ্ববৃহৎ নদীবান্ধ সম্পৰ্কত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। আজি লোকসভাত এটা দৃষ্টি আকৰ্ষণকাৰী প্ৰসংগ উত্থাপন কৰি সাংসদ শইকীয়াই এই বান্ধ নিৰ্মাণ হ'লে অসম, অৰুণাচল প্ৰদেশ আৰু বাংলাদেশৰ পাৰিপাৰ্শ্বিকতাৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিব বুলি আশংকা প্ৰকাশ কৰে। তেওঁ কয়, যে দক্ষিণ এছিয়াৰ এই অঞ্চলটো ভূমিকম্প আৰু বানপানীকে ধৰি অতিশয় দুৰ্যোগপ্ৰৱন অঞ্চল। এই বান্ধৰ লগতে চীনে বৃহৎ আকাৰৰ জলাধাৰ নিৰ্মাণৰো প্ৰস্তাৱ কৰিছে বুলি তেওঁ উল্লেখ কৰে। সাংসদগৰাকীয়ে অঞ্চলটোৰ পৰিৱেশ আৰু সভ্যতা-সংস্কৃতি ৰক্ষা কৰাৰ স্বাৰ্থত বিষয়টো কূটনৈতিকভাৱে চীন দেশৰ সৈতে বিষয়টো আলোচনা কৰিবলৈ ভাৰত চৰকাৰক আহ্বান জনায়।

**(বাইট ঃ দিলীপ শইকীয়া)**

০০০০০

বিটিআৰ শান্তি চুক্তিৰ ২৩ সংখ্যক বাৰ্ষিকী উপলক্ষে আজি কোকৰাঝাৰত এলানি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। সেই অনুসৰি আজি বিটিচি সচিবালয়ত বিটিচিৰ প্ৰাক্তন মুৰব্বী তথা বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীকে ধৰি দলৰ অন্যান্য জ্যেষ্ঠ নেতা আৰু সদস্যসকলে বড়ো আন্দোলনত অগ্ৰণী ভূমিকা পালন কৰা বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি তৰ্পণ কৰে। তেওঁলোকে লগতে দেবাৰগাঁৱত থকা বিটিআৰৰ শান্তিৰ বাবে জীৱন উৎসৰ্গা কৰা ছহিদসকলৰ বেদীত শ্ৰদ্ধাঞ্জলি জনায়।

০০০০০

ৰাজ্যৰ জলসম্পদ বিভাগৰ নামত ভুৱা ৱেবছাইট খুলি দুষ্টচক্ৰই নিযুক্তি সন্দৰ্ভত অপপ্ৰচাৰ চলাই থকা বিষয়টো বিভাগীয় মন্ত্ৰী পীযুষ হাজৰিকাৰ দৃষ্টিগোচৰ হোৱাৰ পাছত মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত জনসাধাৰণক সতৰ্ক কৰি দিছে। জলসম্পদ বিভাগত এনে ভুৱা নিযুক্তিৰ বাৰ্তা লাভ কৰা মাত্ৰেই বিভাগীয় কাৰ্যালয়ত যোগাযোগ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনাইছে। ইতিমধ্যে এনে কাৰ্যৰ সৈতে জড়িত লোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ বাবে বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। অসাধু উদ্দেশ্যৰে এনে কাৰ্য কৰা সকলৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লোৱা হ'ব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে নিৰ্ভৰযোগ্য চৰকাৰী সূত্ৰৰ বাহিৰে অন্য উৎসৰ পৰা লাভ কৰা নিযুক্তি সম্পৰ্কীয় বাৰ্তা সত্য বুলি গ্ৰহণ নকৰিবলৈ আহ্বান জনায়।

০০০০০

তথ্য আৰু জনসংযোগ মন্ত্ৰী পীযূষ হাজৰিকাই আজি মৰিগাঁও জিলাৰ ৰৌমাৰীস্থিত সীতা জখলা সমবায় পৰিসৰত পশু খাদ্য প্ৰস্তুতকৰণৰ বিশেষ মিনাৰেল মিক্সাৰ মজলীয়া উদ্যোগ প্ৰকল্প গৃহৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত প্ৰায় ৫০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পৰ জৰিয়তে গো-পালকসকল বিশেষভাৱে উপকৃত হ'ব বুলি আশা কৰা হৈছে।

**বাইট (পীযূষ হাজৰিকা)**

উল্লেখযোগ্য যে বৃত্তিগত গো-সেৱাৰ শতবৰ্ষ সম্পূৰ্ণ কৰিবলৈ আগবঢ়া সীতা জখলা সমবায় পৰিসৰে গো-পালন আৰু দুগ্ধ উৎপাদনেৰে আৰ্থসামাজিক ক্ষেত্ৰলৈ যথেষ্ট অৱদান আগবঢ়াইছে। আজিৰ অনুষ্ঠানত মৰিগাঁও

জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, তিৱা স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য নাৰায়ণ কুমাৰৰ উপৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে আজি ঢেকীয়াজুলি ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ত ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মন্ত্ৰীগৰাকীয়ে অভিভাৱকসকলক সন্তানৰ সুস্বাস্থ্যৰ বাবে পৰিষ্কাৰ পৰিৱেশ, বিশুদ্ধ পানী সেৱন আৰু স্বাস্থ্যসন্মত জীৱন-যাপনৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আহ্বান জনায়।

উত্তৰ লখিমপুৰৰ পদ্মনাথ গোহাঁই বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত টিংকুমণি বৰাই ছাত্ৰ-ছাত্ৰীসকলক পেলু নিৰ্মূলকৰণ ঔষধ প্ৰদান কৰে। অনুষ্ঠানত মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ কুইন বৰুৱাই পেলুৰ সংক্ৰমণ সহজে প্ৰতিৰোধ কৰাৰ ব্যৱস্থাৰ লগতে এই বিষয়ত এটা সজাগতামূলক বক্তৃতা প্ৰদান কৰে। ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ কাৰ্যসূচীৰ অধীনত জিলাখনৰ ২ হাজাৰ ২৮৩ খন বিদ্যালয় আৰু ২ হাজাৰ ৫৯২টা অংগনৱাড়ী কেন্দ্ৰ সামৰি লোৱা হৈছে।

তিনিচুকীয়া জিলাৰ বৰগুৰি জ্ঞানংকোষ আৱাসিক বিদ্যালয়ত আজি পেলু নিৰ্মূলকৰণ দিৱসৰ কাৰ্যসূচীত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ কেইবাগৰাকী বিষয়াই অংশ লয়।

মাজুলী জিলাৰ ৰঙাচাহী তনুৰাম নাথ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ লোকনাথ দেউৰীয়ে এই দিৱসৰ কাৰ্যসূচী মুকলি কৰে। অনুষ্ঠানত কেইবাগৰাকী চিকিৎসকে পেলু হোৱাৰ কাৰণ, ইয়াৰ নিৰ্মূলকৰণৰ ক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থা আদিৰ বিষয়ে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলক পৰামৰ্শ আগবঢ়ায়।

চৰাইদেউ জিলাৰ সোণাৰীৰ পদ্মকুমাৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস পালন কৰা হয়।

দৰং জিলাত আজি স্বাস্থ্যসেৱা সঞ্চালক ডাঃ উমেশ ফাংছ'ৱে সপ্তাহজোৰা পেলু নিৰ্মূলকৰণৰ কাৰ্যসূচী মুকলি কৰে। সঞ্চালকগৰাকীয়ে ভাষণ প্ৰসংগত পেলু নিৰ্মূলৰ বাবে খুউওৱা এলবেণ্ডাজল টেবলেট চোবাই খালে অধিক সুফল পোৱা যায় বুলি উল্লেখ কৰে। শিশু তথা কিশোৰ-কিশোৰীসকলক ছমাহৰ অন্তৰে অন্তৰে পেলু দৰব খোৱাটো প্ৰয়োজন বুলি ডাঃ ফাংছ'ৱে প্ৰকাশ কৰে।

বৰপেটা জিলাৰ টাউন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি জিলা স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্তই সপ্তাহজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। জিলাখনত এই কাৰ্যসূচীৰ জৰিয়তে ৫ লাখ ৩৭ হাজাৰ ৭৩১টি শিশু আৰু কিশোৰ-কিশোৰীক সামৰি লোৱা হ'ব।

এই দিৱস উপলক্ষে বিদ্যালয়লৈ যোৱা শিশুসকলক বিদ্যালয়তে পেলুনাশক ঔষধ প্ৰদানৰ ব্যৱস্থা কৰা হয়। আজি শিক্ষানুষ্ঠানত অনুপস্থিত থকা শিশুসকলক অহা ১৭ ফেব্ৰুৱাৰীলৈ এই ঔষধ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। আশা আৰু অংগনবাড়ীৰ কৰ্মীসকলে সকলো অংগনবাড়ী কেন্দ্ৰৰ উপৰি গৃহ পৰিদৰ্শনৰ জৰিয়তে ১ৰ পৰা ১৯ বছৰ বয়সৰ সকলো শিশু তথা কিশোৰ-কিশোৰীক পেলু মুক্ত হোৱাৰ বাবে এই ঔষধ প্ৰদান কৰিব।

০০০০০

গুৱাহাটীৰ সামাজিক, সাংস্কৃতিক অনুষ্ঠান জ্যোতিৰূপাৰ উদ্যোগত অহা ১৬ৰ পৰা ১৯ ফেব্ৰুৱাৰীলৈ সপ্তদশ বাৰ্ষিক সিংহ পুৰুষ ৰাধাগোবিন্দ বৰুৱা সোঁৱৰণী নাট সমাৰোহৰ আয়োজন কৰা হৈছে। ১৬ ফেব্ৰুৱাৰীৰ

পৰা প্ৰতি সন্ধিয়া ৬ বজাৰ পৰা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত সমাৰোহৰ নাটসমূহ মঞ্চস্থ কৰা হ'ব। আজি গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদ মেলত উদ্যোক্তাসকলে এই বিষয়ে প্ৰকাশ কৰে। এই অনুসৰি প্ৰথমদিনা সন্ধিয়া প্ৰশান্ত কটকীৰ ৰচনা আৰু পৱিত্ৰ বৰুৱাৰ পৰিচালনাৰে যোৰহাট থিয়েটাৰে **কলৰে পাততে কাউৰী পৰে** শীৰ্ষক নাটখন মঞ্চস্থ কৰিব।

০০০০০

নগাঁৱৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ে প্ৰথমবাৰৰ বাবে কাইলৈৰ পৰা দুদিনীয়াকৈ শৈক্ষিক মেলাৰ আয়োজন কৰিছে। বিশ্ববিদ্যালয়খনত আয়োজিত এখন সংবাদমেলত আজি পঞ্জীয়ক ড০ শৰৎ হাজৰিকাই এই বিষয়ে প্ৰকাশ কৰি কয়, যে দেশৰ আগশাৰীৰ ১৫ খন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ে এই মেলাত অংশ ল'ব। উচ্চ শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ দানৰ বাবে আয়োজিত এই মেলাত ফেশ্বন ডিজাইনিং, এনিমেছন, বিমান পৰিবহন, পৰ্যটনকে ধৰি বিভিন্ন নতুন পাঠ্যক্ৰম সম্পৰ্কে আভাস দিয়া হ'ব। মেলাৰ আয়োজক সমিতিয়ে ৰাজ্যৰ কেইবাখনো মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ লগতে ব্যক্তিগত শিক্ষানুষ্ঠানকো এই মেলালৈ আমন্ত্ৰণ জনাইছে।

০০০০০

অহা ৪, ৫ আৰু ৬ এপ্ৰিলত ঢকুৱাখনাত হ'বলগীয়া ৫৫ সংখ্যক অসম বিজ্ঞান সমিতিৰ ৰাজ্যিক অধিৱেশনৰ স্মাৰক গ্ৰন্থৰ বাবে বিজ্ঞানৰ সৈতে জড়িত বিভিন্ন বিষয়ত লেখা বিচৰা হৈছে। লেখক-লেখিকাসকলে বিজ্ঞান-প্ৰযুক্তিৰ পৰিৱেশ, বিজ্ঞানৰ শেহতীয়া আৱিষ্কাৰ আদি বিভিন্ন বিষয়ত এহেজাৰ শব্দৰ ভিতৰত লেখা প্ৰেৰণ কৰিব পাৰিব। লেখাসমূহ অহা ২৮ ফেব্ৰুৱাৰীৰ ভিতৰত পোৱাকৈ সম্পাদক, মাৰফৎ ঃ গগৈ বাৰ্ডাৰ্ছ, ঢকুৱাখনা চাৰিআলি, ঢকুৱাখনা-৭৮৭০৫৫ ঠিকনাত অথবা BURAGOHAIN INDIBOR@GMAIL.COM যোগে প্ৰেৰণ কৰিব পাৰিব। লেখাসমূহ ৯৯৫৪৯-৭৯৪৩৮ নম্বৰলৈও প্ৰেৰণ কৰিব পাৰিব।

০০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ মহিলা দলে নেট বলৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। অসম দলৰ ছিফ দ্যা মিছন অভিজিৎ ভট্টাচাৰ্যই আকাশবাণী গুৱাহাটীক এই বিষয়ে অৱগত কৰিছে। উল্লেখযোগ্য যে অসমৰ মহিলা নেট বল দলটোৱে পোন প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশগ্ৰহণ কৰি ছেমি ফাইনেললৈ আগবাঢ়ি যোৱাৰ সফলতা অৰ্জন কৰিছে।

০০০০০

চিৰাং জিলাৰ বিজনী চহৰৰ তিনি নম্বৰ ৱাৰ্ডৰ আমগুড়ি নিবাসী, বিজনী জিলা কোচ ৰাজবংশী মহিলা সন্মিলনীৰ প্ৰাক্তন সম্পাদীকা পদ্মাৱতী ৰায়ৰ আজি পুৱতি নিশা বঙাইগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৮ বছৰ। বিজনীৰ কেইবাটাও অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত ৰায়ৰ মৃত্যুত অঞ্চলটোৰ কেইবাটাও দল-সংগঠন আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত